# 2015

## ASSAMESE

( Major )

Paper : 5.6

**( Bhashar Swarup )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×৭=৭

(ক) *Elements of the Science of Language* নামৰ গ্ৰন্থখনৰ প্ৰণেতাজনৰ নাম লিখা।

(খ) 'ভাষা' শব্দটো সংস্কৃতৰ কি ধাতুৰ পৰা সিদ্ধ হৈছে?

(গ) "ভাষা, জাতি আৰু সংস্কৃতিৰ মাজত কোনো স্বাভাৱিক সম্পৰ্ক নাই।" কথাষাৰ সঁচানে?

(ঘ) মহাত্মা গান্ধীয়ে ভাৰতত এটা কৃত্ৰিম ৰাষ্ট্ৰভাষা চলাবলৈ মানস কৰিছিল। এই ভাষাটোক গান্ধীজীয়ে কি নাম দিছিল?

(ঙ) পৃথিৱীৰ সৰ্ববৃহৎ ভাষা-পৰিয়াল হিচাপে পৰিচিত 'ইণ্ডো-ইউৰোপীয়' নামটো কোনে উদ্ভাৱন কৰিছিল?

(চ) 'বীচ-লা-মাৰ' নামৰ পিজিন (pidgin) পৃথিৱীৰ কোনটো অঞ্চলত চলে?

(ছ) আধুনিক কালৰ এটা অবৰ্গীকৃত ভাষাৰ নাম লিখা।

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) বৰ্ণভাষা কাক বোলে?

(খ) পৰিস্থিতি নিৰ্ধাৰক বিশিষ্ট ভাষা (register) বুলিলে কি বুজা?

(গ) ক্ৰেওলীয় ভাষা কি? উদাহৰণসহ বুজাই লিখা।

(ঘ) ভাষাৰ কোন দুটা বৰ্গীকৰণক অধিক বিজ্ঞানসন্মত বুলি মানি লোৱা হয়?

৩। তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) ৰাষ্ট্ৰভাষা বুলিলে কি বুজা? হিন্দী আৰু ইংৰাজী—এই দুটাৰ কোনটো ভাষা ভাৰতবৰ্ষৰ ৰাষ্ট্ৰভাষা হোৱাটো অধিক যুক্তিযুক্ত বুলি ভাবা, আলোচনা কৰা।

(খ) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ আদিম বাসস্থান নিৰ্ণয় কৰা। ভাষাবিজ্ঞানীসকলে এই ভাষা-পৰিয়ালটোৰ উৎপত্তিৰ কাল কি বুলি ঠাৱৰ কৰিছে, লিখা।

(গ) গ্ৰীমৰ ধ্বনি নিয়ম সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

(ঘ) চীন-তিব্বতীয় ভাষা-পৰিয়াল সম্পৰ্কে চমুকৈ লিখা।

(ঙ) বিশিষ্ট ধ্বনি পৰিৱৰ্তনৰ পাঁচটা উল্লেখযোগ্য কাৰণ চমুকৈ বিশ্লেষণ কৰা।

৪। (ক) ভাষাৰ বৰ্গীকৰণৰ সকলোবোৰ দিশ সামৰি এটি প্ৰবন্ধ যুগুত কৰা। ১০

অথবা

(খ) ভাষাৰ আকৃতিমূলক বৰ্গীকৰণ বুলিলে কি বুজা? আকৃতিমূলক বৰ্গীকৰণৰ বিভিন্ন শাখাসমূহৰ বিষয়ে আলোচনা কৰা। ৩+৭=১০

৫। (ক) ভাষা-জাতি-সমাজ আৰু সংস্কৃতিৰ পাৰস্পৰিক সম্পৰ্ক বিচাৰ কৰি এটি প্ৰবন্ধ যুগুত কৰা। ১০

অথবা

(খ) "কোনো জনসমষ্টিৰ বিষয়ে জানিবলৈ হ'লে তাৰ ভাষা বুজিবই লাগিব। সেই সম্প্ৰদায়ৰ জীৱন-পদ্ধতিৰ বিষয়ে গভীৰভাৱে অন্বেষণ কৰিবলৈ নাইবা তাৰ ঐতিহাসিক তথ্য নিৰূপণ কৰিব খুজিলে আমাৰ প্ৰথমতে প্ৰয়োজন হ'ব সেই জনসমষ্টিৰ ভাষাৰ এটা শৃঙ্খলাৱদ্ধ বিৱৰণ।" ভাষাবিদ ব্লুমফিল্ডৰ এই মন্তব্যৰ ভিত্তিত ভাষা-সমাজ আৰু সংস্কৃতিৰ সম্পৰ্ক বিচাৰ কৰা। ১০

৬। (ক) আন্তঃৰাষ্ট্ৰীয় ভাষা বুলিলে কি বুজা? জগতৰ প্ৰধান কৃত্ৰিম আন্তঃৰাষ্ট্ৰীয় ভাষা বুলি বিবেচিত 'এছপিৰেন্টো' ভাষাৰ গঠন প্ৰণালী সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

(খ) বিশিষ্ট ধ্বনি পৰিৱৰ্তনৰ তলত দিয়া দিশকেইটাৰ যি কোনো চাৰিটাৰ বিষয়ে চমু টোকা লিখা : $২\frac{১}{২}\times ৪=১০$

স্বৰ সমীভৱন; স্বতঃঅনুনাসিকীকৰণ; সমাক্ষৰ-লোপ; স্বৰসঙ্গতি; অপিনিহিতি; স্পুনাৰিজিম; ধ্বনি বিপৰ্যয়।

★★★